**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 02-04-2024
**Time :** 07-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তৃতীয়টো কাৰ্যকালত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে গঢ় দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা পুনৰ প্ৰকাশ কৰিছে।

২। কংগ্ৰেছে আসন্ন লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে ১৭ গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে সেনা প্ৰত্যাহাৰ কৰা আৰু উত্তেজনা হ্ৰাস কৰাই উত্তৰ সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্মুখীন হোৱাৰ একমাত্ৰ উপায়।

৪। নিৰ্বাচন আয়োগে আসন্ন লোকসভা নিৰ্বাচনত বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ ৰোধ কৰাৰ উদ্দেশ্যে বিভ্ৰান্তি বনাম বাস্তৱিকতা নামৰ বিশেষ পঞ্জী মুকলি কৰিছে। ***আৰু***

৫। ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু কিছুসময়ৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে তেওঁৰ তৃতীয়টো কাৰ্যকালত ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে গঢ় দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা পুনৰ প্ৰকাশ কৰিছে। নাইনিতাল উধমসিং নগৰ সংসদীয় সমষ্টিৰ ৰুদ্ৰপুৰত উত্তৰাখণ্ডত নিজৰ প্ৰথমখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে আজি এই সংকল্পৰ কথা দোহাৰে। শ্ৰীমোদীয়ে ভাষণ প্ৰসংগত ৰাজ্যখনৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰে। নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছ দলক তেওঁ তীব্ৰ সমালোচনা কৰে। শ্ৰীমোদীয়ে কংগ্ৰেছ দলে ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰতি অৱহেলা কৰা বুলি অভিযোগ কৰে। তেওঁ কয় যে, যদিহে বিজেপি পুনৰ ক্ষমতালৈ আহে তেন্তে দলটোৱে দুৰ্নীতি বিৰোধী প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিব।

বিজেপি প্ৰাৰ্থী তথা কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী অজয় ভাটে এই আসনৰ পৰা নিৰ্বাচনী যুজত অৱতীৰ্ণ হৈছে। তেওঁৰ বিৰুদ্ধে কংগ্ৰেছে প্ৰকাশ যোশীক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। ৰাজ্যখনৰ ৫ টা সংসদীয় সমষ্টিৰ আটাইকেইটাৰ বাবে প্ৰথম পৰ্যায়ত ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। এইবাৰৰ নিৰ্বাচনত ৰাজ্যখনৰ ৮৩ লাখ ৩৭ হাজাৰ ৯১৪ গৰাকী ভোটাৰে ৫৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

০০০০

কংগ্ৰেছে আজি সমাগত লোকসভা নিৰ্বাচনৰ ১৭ জন প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰে। কাকিনাদা লোকসভাৰ আসনৰ পৰা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এম এম পল্লম ৰাজুৱে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে অন্ধ্ৰ প্ৰদেশ কংগ্ৰেছৰ সভানেত্ৰী ৱাই এছ শৰ্মিলা ৰেড্ডীয়ে কদাপা আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব আৰু বাপটলা লোকসভা আসনৰ পৰা দলৰ নেতা জে ডি ছিলামে প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তাৰিক আনোৱাৰে বিহাৰৰ কাটিহাৰ লোকসভা আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে আমিৰ চান্দ নায়কে ওড়িশাৰ কান্ধামাল লোকসভা আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

দলটোৱে অন্ধ্ৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ বাবে ১১৪ গৰাকী আৰু ওড়িশা বিধানসভা নিৰ্বাচনৰবাবে ৪৯ গৰাকী প্ৰাৰ্থীৰ তালিকাও প্ৰকাশ কৰে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে সেনা প্ৰত্যাহাৰ কৰা আৰু উত্তেজনা হ্ৰাস কৰাই উত্তৰ সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতিৰ সন্মুখীন হোৱাৰ একমাত্ৰ উপায়। তেওঁ কয় যে, দেশৰ সেনা বাহিনী সীমান্তত দৃঢ়তাৰে থিয় দি আছে। তেওঁ লগতে শান্তিপূৰ্ণ সমাধানৰ বাবে অব্যাহত থকা আলোচনা অব্যাহত থাকিব বুলি আস্থা প্ৰকাশ কৰিছে। নতুন দিল্লীৰ সেনা কমাণ্ডাৰসকলে সন্মিলনত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। পশ্চিম সীমান্তত সেনা আৰু সুৰক্ষা বাহিনীৰ প্ৰয়াসৰ শলাগ লৈ শ্ৰীসিঙে সীমান্তৰ সুৰক্ষা, সন্ত্ৰাসবাদ বিৰোধী যুজ আৰু প্ৰয়োজনৰ সময়ত অসামৰিক প্ৰশাসনলৈ আগবঢ়োৱা সহায়ৰ ক্ষেত্ৰত সেনা বাহিনীৰ ভূমিকাত আলোকপাত কৰে। তেওঁ কয় যে, জম্মু কাশ্মীৰত সুৰক্ষা বলৰ সমন্বিত অভিযানৰ বাবে অঞ্চলটোলৈ সুস্থিৰতা ঘুৰি আহিছে আৰু এনে অভিযান আগলৈও অব্যাহত থকা উচিত। হাইব্ৰীড যুজসহ অপৰম্পৰাগত যুদ্ধ ভৱিষ্যতৰ পৰম্পৰাগত সমৰসজ্জাৰ অংশ হ'ব বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। সন্মিলনত ভাৰতীয় সেনাৰ শীৰ্ষ নেতৃবৰ্গই বৰ্তমানৰ সুৰক্ষা পৰিস্থিতি সীমান্তৰ পৰিস্থিতি তথা সম্প্ৰতিক প্ৰত্যাহ্বানৰ সকলো দিশৰ বিষয়ে আলোচনা কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি দলীয় কৰ্মী সকলক ভোটাৰৰ কাষ চাপিবলৈ আৰু বিকশিত ভাৰতৰ এজেণ্ডাৰ বিষয়ে প্ৰচাৰ কৰিবলৈ আহ্বান জনায় । আজি বেংগালুৰুত পাঁচটা লোকসভা সমষ্টিৰ শক্তি প্ৰমুখৰ সন্মুখত ভাষণ দি তেওঁ কয় যে বিজেপিয়ে বিকশিত ভাৰতৰ কথা কোৱাৰ বিপৰীতে INDIA মৰ্চাই দুৰ্নীতিৰ পোষকতা কৰে। তেওঁ আঙুলিয়াই দিয়ে যে ২০১৪ চনত কৰ্ণাটকে বিজেপিক ৪৩ শতাংশ ভোট আৰু ১৭খন আসন দিছিল । ২০১৯ চনত বিজেপিয়ে ৫১ শতাংশ ভোট আৰু ২৫খন আসন লাভ কৰাৰ লগতে এই নিৰ্বাচনত বিজেপি-জেডি(এছ) মিত্ৰজোঁটে যাতে ২৮খন আসনৰ আটাইকেইটখন আসন লাভ কৰে , তাৰ বাবে দলীয়

কৰ্মীসকলক প্ৰয়াস কৰিবলৈ আহ্বান জনায় । ১২ লাখ কোটি টকাৰ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হোৱা ইউ পি এৰ ১০ বছৰীয়া শাসন আৰু ১০ বছৰীয়া এন ডি এৰ শাসনে অৰ্থনীতিক পঞ্চম স্থানলৈ উন্নীত কৰাত সহায় কৰা আৰু ২৫ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰাৰ কথা জনসাধাৰণক জনাবলৈ তেওঁ দলীয় কৰ্মীসকলক আহ্বান জনায়।

০০০০

নিৰ্বাচন আয়োগে আসন্ন লোকসভা নিৰ্বাচনত বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ ৰোধ কৰাৰ উদ্দেশ্যে বিভ্ৰান্তি বনাম বাস্তৱিকতা নামৰ বিশেষ পঞ্জী আৰম্ভ কৰিছে। নিৰ্বাচন আয়োগে এখন বিজ্ঞপ্তিযোগে কৈছে যে, এই পঞ্জীৰ যোগেদি তথ্যৰ সত্যাসত্য নিৰূপনৰ লগতে বিভ্ৰান্তিকৰ তথ্যৰ প্ৰচাৰ ৰোধ কৰিব পৰা যাব। ইয়াৰ জৰিয়তে এইবাৰৰ নিৰ্বাচনৰ প্ৰধান বিষয়সমূহৰো তথ্য লাভ কৰিব পৰা যাব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই পঞ্জীত নিৰ্বাচনৰ সৈতে জড়িত বিভ্ৰান্তিকৰ তথ্য, চোচিয়েল মিডিয়াৰ অপপ্ৰচাৰ আৰু গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে সাধাৰণতে সোধা প্ৰশ্ন তথা সংশ্লিষ্ট পক্ষৰ বাবে বিভিন্ন বৰ্গৰ অধীনত প্ৰাসংগিক সামগ্ৰী উপলব্ধ কৰোৱা হৈছে। এই পঞ্জী নিয়মীয়াভাৱে আপডেট কৰা হব। নিৰ্বাচন আয়োগৰ চৰকাৰী ৱেবছাইটৰ জৰিয়তে এই পঞ্জী চাব পৰা যাব।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী সাত দিনত পশ্চিম হিমালয় অঞ্চলৰ ঠাইবিশেষে পাতলীয়া বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে ৫ এপ্ৰিল পৰ্য্যন্ত উত্তৰ-পশ্চিম ভাৰতৰ সমভূমি অঞ্চলৰ কেতবোৰ ঠাইত মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজফ্ফৰাবাদ আৰু হিমাচল প্ৰদেশত অহা তিনি দিন পৰ্য্যন্ত বিজুলী ঢেৰেকণিৰে ধুমুহা-বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে সম্ভাৱনা প্ৰকাশ কৰিছে।

বিভাগটোৱে লগতে অসম আৰু উত্তৰ-পূব বিহাৰত পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ১০ মাইল ওপৰলৈকে বিস্তৃত বায়ুমণ্ডলৰ স্তৰত ঘূৰ্ণী বতাহৰ সম্ভাৱনা অব্যাহত আছে বুলি কৈছে। বিভাগটোৱে কৈছে যে, পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ১০ মাইল ওপৰলৈকে বিস্তৃত বায়ুমণ্ডলৰ স্তৰত বংগোপসাগৰৰ পৰা উত্তৰ পূৰ্বাঞ্চললৈ আৰ্দ্ৰতা অধিক মাত্ৰাত গোট খাইছে। ইয়াৰ প্ৰভাৱত পশ্চিমবংগৰ হিমালয়ৰ কাষৰীয়া অঞ্চল আৰু ছিকিমত পৰৱৰ্তী সাত দিনলৈ বিজুলী গাজনিৰে ধুমুহা-বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান প্ৰকাশ কৰিছে। একেদৰে, অসম আৰু মেঘালয়ৰ ঠাইবিশেষে বৃহস্পতিবাৰলৈ আৰু অৰুণাচল প্ৰদেশত শুকুৰবাৰলৈ ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে। বতৰ বিজ্ঞান বিভাগে লগতে মধ্য প্ৰদেশ, বিদৰ্ভ, তেলেংগানা আৰু কৰ্ণাটকৰ উত্তৰ প্ৰান্তৰ ভিতৰুৱা অঞ্চলসমূহত পৰৱৰ্তী তিনিদিন পৰ্য্যন্ত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। ৰায়লচিমা, অন্ধ্ৰ প্ৰদেশৰ উপকূলভাগ, কেৰালা, তামিলনাডু, পুডুচেৰী আৰু ওড়িশাত গৰম আৰু সেমেকা হৈ থাকিব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান প্ৰকাশ কৰিছে।

ইপিনে, বিভাগটোৱে দিল্লীৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব পাৰে আৰু বতাহ বলিব পাৰে বুলি কৈছে। দিল্লীত সৰ্বোচ্চ তাপমাত্ৰা ৩৩ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থকাৰ সম্ভাৱনা আছে।

০০০০

কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে আজি নতুন দিল্লীত নিৰ্বাচন আয়োগক সাক্ষাৎ কৰে আৰু ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত বিভ্ৰান্তিকৰ তথা বিভেদকামী বিজ্ঞাপন বন্ধ কৰিবলৈ আহ্বান জনায়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা চলমান খুৰছিদে কয় যে, তেওঁৰ দলে অন্ধ্ৰপ্ৰদেশত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ বিজ্ঞাপনৰ পৰা মুখ্যমন্ত্ৰীৰ ফটো আঁতৰোৱাৰ বিষয়টো আয়োগৰ ওচৰত উত্থাপন কৰিছে। কংগ্ৰেছে বিভ্ৰান্তিকৰ আৰু বিভেদকামী বিজ্ঞাপন তথা ভুৱা বাতৰি বন্ধ কৰাৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ আয়োগৰ প্ৰতি আহ্বান  জনাইছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

উচ্চতম ন্যায়ালয়ে আজি আৱকাৰী নীতি কেলেংকাৰী সংক্ৰান্তত আম আদমী পাৰ্টীৰ নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙক জামিন প্ৰদান কৰে। ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ দীপাংকৰ দত্তা, আৰু ন্যায়াধীশ প্ৰশান্ত বি ৱৰ্লেক লৈ গঠিত এখন বিচাৰপীঠে যুটীয়া ৰায়যোগে কয় যে সঞ্জয় সিঙে জামিনৰ সময়ছোৱাত ৰাজনৈতিক  কাম-কাজত অংশগ্ৰহণ কৰিব পাৰিব। অৱশ্যে তেওঁ বিধি বলবৎকাৰী সঞ্চালকালয়ৰ জেৰা সম্পৰ্কে ৰাজহুৱাভাৱে কোনো বিবৃতি দিব নোৱাৰিব। সৰ্বোচ্চ ন্যায়ালয়ে নিজৰ ৰায়ত লগতে সঞ্জয় সিঙৰ জামিনৰ চৰ্তাৱলী নিম্ন আদালতে থিৰাং কৰিব বুলি নিৰ্দেশ দিয়ে। আম আদমী পাৰ্টীৰ নেতাগৰাকী যোৱা বছৰ অক্টোবৰত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তিহাৰ কাৰাগাৰত বন্দী হৈ আছিল।

০০০০

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু কিছুসময়ৰ পাছত বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ্বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।  ইপিনে ৰাজস্থান ৰয়েলছে যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ